بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৬ চনৰ ২৪ জুন তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জু’মাৰ খোতবাৰ সাৰাংশ।**

ৰমজান মাহত আমি যেতিয়া বিচাৰো, যে তাকওয়া অৰ্জন কৰো আল্লাহ তায়লাৰ সান্নিধ্য লাভ কৰো আৰু নিজৰ দোৱা সমূহ গৃহীত হোৱা দেখিবলৈ পাওঁ তেতিয়া সেইবোৰ বেয়াৰ হাত সাৰিবলৈ আৰু আল্লাহ তায়লাৰ নিৰ্দেশ সমূহৰ ওপৰত বেছি-বেছি আমল কৰিবলৈ চেষ্টা কৰিব লাগিব।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যোৱা জু’মাৰ খোতবাত এই বিষয়ে উল্লেখ কৰা হৈছিল যে; আল্লাহ তায়লা কৈছে যে দোৱা কবুল হোৱাৰ বাবে আল্লাহ তায়লাৰ ওপৰত পূৰ্ণ ঈমান আৰু আল্লাহ সকলো ক্ষমতা আৰু কুদৰতৰ মালিক হিচাপে বিশ্বাস ৰাখি তাৰ ওচৰত খুজিব লাগিব আৰু তাৰ আদেশৰ ওপৰত আমল কৰিব লাগিব। আল্লাহ তায়লাৰ নিৰ্দেশ সমূহ কি ? সেই বিষয়ে জানিবলৈ আল্লাহ তায়লা আমালোকক কোৰ’আন কৰিমৰ দৰে এনে মহান কিতাপ খন দান কৰিছে। য’ত আল্লাহ তায়লাৰ সকলো আদেশ, নিষেধ সন্নিবিষ্ট কৰা আছে। আল্লাহ তায়লা যিহেতু কৈছে فَلْيَسْتَجِيبُوا لِي অৰ্থাৎঃ মোৰ বান্দা সকলে মোৰ আদেশ গ্ৰহন কৰিব যিবোৰ কোৰ’আন কৰিমত স্পষ্ট উল্লেখ আছে যাৰ ফলশ্ৰুতিত আল্লাহ তায়লা দোৱা সমূহ গ্ৰহন কৰিব আৰু তাৰ সৈতে সম্পৰ্ক স্থাপন হ’ব।

কোৰ’আন কৰিমত অসংখ্য নিৰ্দেশাৱলী সন্নিবিষ্ট কৰা আছে যি বিলাক পালন কৰিবলৈ আৰু তাৰে কিছুমান এৰিবলৈ আদেশ প্ৰদান কৰিছে। মাজে সময়ে সেই বোৰ আমি জুখিয়াই চোৱা উচিত। এতিয়া মই তাৰে কিছুমান হিদায়েত উপস্থাপন কৰিবলৈ লৈছো মানুহৰ সৃষ্টিৰ উদ্দেশ্যৰ বুনিয়াদী বিষয়টো হ’ল; মানুহে যাতে আল্লাহ তায়লাৰ ইবাদত কৰে। যেনেকৈ আল্লাহ তায়লা কৈছে; وَمَا خَلَقْتُ الْجِنَّ وَالْإِنْسَ إِلَّا لِيَعْبُدُونِ হজৰত মছিহ মাওউদ (আঃ) য়ে যাৰ অনুবাদ এনে দৰে কৰিছে যে; জিন আৰু ইনছানক এই কাৰনেই সৃষ্টি কৰিছো যাতে সিহঁতে মোৰ উপাসনা কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই বিষয়টো মই কেইবা বাৰ বৰ্ণনা কৰিছো। বাৰ-বাৰ মই এই ফালে মনযোগ আকৰ্ষণ কৰি আছো কিন্তু আমাৰ মাজত বহুতেই দুই চাৰিদিন মনত ৰখাৰ পিছতেই আকৌ পাহৰি পেলাইছে। ইমানেই যে মই জানিব পাৰিছো কিছুমান ওয়াকফে জিন্দগী অৰ্থাৎ যি সকলে ধৰ্মীয় জ্ঞান অৰ্জন কৰিছে আৰু তাৰ জ্ঞানৰ পৰিধি হিচাপে তেওঁ তাৰ গুৰুত্বও ভালদৰে বুজি পায় অথচ সিহঁতে এইফালে কোনো কাণসাৰ নিদিয়ে। আকৌ জমাতী পদাধীকাৰী সকল তেওঁলোকে সভা সমিতিত নিজৰ জ্ঞানৰ উচ্চ মানদণ্ড প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। কোনো বা জনৰ সমস্যা আহিলে সেয়া কোৰ’আন, হদীছৰ উদ্‌তিৰে বুজাই দিয়ে কিন্তু কিছুমান লোক এনেকুৱা আছে যি সকলে বুনিয়াদী আদেশৰ প্ৰতি মনযোগ নিদিয়ে। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত উল্লেখ কৰিছে যে; তোমালোকে এই কথা খিনি ভালদৰে বুজি লোৱা যে খোদা তায়লা তোমালোকক সৃষ্টি কৰাৰ উদ্দেশ্য হ’ল যে; তোমালোকে তাৰ উপাসনা কৰা আৰু তাৰেই হৈ যোৱা। পাৰ্থিৱ লোভ মোহ আৰু প্ৰশান্তি পোৱা যেন তোমালোকৰ উদ্দেশ্য নহয়। মই এই কাৰনেই উক্ত বিষয় খিনি বাৰ-বাৰ আলোচনা কৰো, মোৰ বোধেৰে এইটোয়ে হ’ল আচল কথা যাৰ বাবে মানুহ পৃথিবীত আহিছে। আৰু কথা হ’ল যাৰ পৰা মানুহ দূৰ হৈ পৰিছে। তেখেত (আঃ) য়ে আৰু বৰ্ণনা কৰিছে যে পৃথিবী খনক আৰামৰ, প্ৰশান্তিৰ আবাস নবনোৱাৰ অৰ্থ এয়া নহয় যে তুমি পাৰ্থিৱ কাম বন একো কৰিব নালাগে, নিঃসন্দেহে কৰিব লাগিব, কিন্তু উপাসনাৰ দায়িত্ব অৰ্থাৎ জন্মৰ যি উদ্দেশ্য সেয়া প্ৰথমে প্ৰধান্য দিয়া উচিত। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি কালি ৰমজান মাহত সাধাৰণতে ইয়াৰ ওপৰত আমল হৈ আছে। কিন্তু কেৱল ৰমজান মাহতেই আল্লাহ তায়লাৰ নিৰ্দেশ অনুসৰি ইবাদতৰ

ওপৰত জোৰ দিয়া নহয় বৰং এইটো চেষ্টা কৰিব লাগিব যে ৰমজানৰ শিক্ষা আৰু চেষ্টা প্ৰচেষ্টায় আমাৰ ইবাদতৰ মান যেনেকৈ উন্নতি কৰিছে তেনেকৈ যেন এয়া আমাৰ ভৱিষ্যত জীৱনৰ অংশ হৈ যায়। আমি নিজৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব লাগিব। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; যিহেতু খোদা তায়লাৰ ইচ্ছা মানৱ সৃষ্টিৰ উদ্দেশ্যই হ'ল একমাত্ৰ ইবাদত কৰা গতিকে বেলেগ বস্তুত উদ্দেশ্য নিহিত কৰা মোমিনৰ মৰ্যদা নহয়। প্ৰবৃত্তিৰ যি অধিকাৰ সেয়া সাব্যস্ত কৰা জায়েজ কিন্তু প্ৰবৃত্তিৰ বিকৃত অৱস্থা জায়েজ নহয়। প্ৰবৃত্তিৰ অধিকাৰ প্ৰদান কৰা এই কাৰনেই জায়েজ যাতে এয়া মৃতবত হৈ নাযায়। তুমি এইবোৰক এনেদৰে কামত লগোৱা যাতে এইবোৰে তোমাক উপাসনা কৰাৰ যোগ্য কৰি তুলে কিন্তু এইবোৰ যেন তোমাৰ আচল উদ্দেশ্য হৈ নপৰে।

আঁহজৰত (ছাঃ) য়ে কৈছে যে; তোমালোকৰ প্ৰবৃত্তিৰও তোমালোকৰ ওপৰত দাবী বা অধিকাৰ আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; নিঃসন্দেহে এইটো অধিকাৰ আছে কিন্তু তাৰ এটা সীমা থকা উচিত। ন্যায় সঙ্গত অধিকাৰ খিনি প্ৰবৃত্তিক পাবলৈ দিব লাগে কাৰণ আল্লাহ তায়লা উক্ত হ'ক আদায় দিয়াৰ শক্তি মানুহৰ বৈশিষ্টত ৰাখিছে গতিকে আদায় দিয়া প্ৰয়োজন। প্ৰবৃত্তিক নিজৰ লাভ আহৰণৰ বাবে ব্যাৱহাৰ কৰা নহলে এনে কিছুমান বেয়া বস্তু আছে যদি প্ৰবৃত্তিক তাৰ ওপৰত সুব্যাৱহাৰ কৰা নহয় তেন্তে সম্পূৰ্ণ হ'ক আদায় নহয় আৰু প্ৰবৃত্তিৰ কিছুমান শক্তি নিঃশ্বেষ হৈ যায়। গতিকে ইবাদতৰ উদ্দেশ্যৰ সৈতে এইবোৰ বস্তুক ব্যাৱহাৰত ৰখা অতি প্ৰয়োজন। আল্লাহ তায়লাৰ প্ৰদত্ত গুনাৱলী আৰু শক্তি সমুহ ব্যাৱহাৰ কৰা অতি আৱশ্যক। এয়া ব্যাৱহাৰ নকৰাটো হ'ল আল্লাহ তায়লাৰ অকৃতজ্ঞতা প্ৰদৰ্শন কৰা। এজন ছাহাবীয়া আছিল যাৰ অৱস্থা আছিল পুতৌ লগা। তেওঁ নিজকে চাফ চিকুন কৈ নাৰাখিছিল, মূৰৰ চুলিত কেতিয়াও ফনিওয়া নাছিল, কোনোবাই গৈ আঁহজৰত (ছাঃ) ৰ ওচৰত কথাটো জনায় তেতিয়া তেখেত (ছাঃ) য়ে তাইক মাতি পঠিয়ায়। তাই আহি কয় যে মই কিয় নিজকে সুন্দৰকৈ সাজি কাচি ৰাখিম, মোৰ পতিয়ে দিনে ৰাতি আল্লাহৰ উপাসনাত মগ্ন থাকে। তেতিয়া তেখেত (ছাঃ) যে তাইৰ গিৰিয়েকক মাতি আনি কয় যে, তোমাৰ প্ৰবৃত্তিৰো তোমাৰ ওপৰত অধিকাৰ আছে। তোমাৰ পত্নীৰও তোমাৰ ওপৰত অধিকাৰ আছে গতিকে সকলো ধৰনৰ হক তুমি আদায় দিব লাগিব। আকৌ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; অসামাজিক ব্যাৱহাৰেও হালালক হাৰামত পৰিণত কৰে।

وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ বাক্যৰ পৰা স্পষ্ট হয় যে মানুহক একমাত্ৰ ইবাদতৰ বাবে সৃষ্টি কৰা হৈছে গতিকে এয়া পূৰণাৰ্থে যিবোৰ বস্তুৰ প্ৰয়োজন যিমান প্ৰয়োজন তাৰ মাত্ৰাধিক গ্ৰহন কৰিলে যদিও সেই বস্তু হালাল অপব্যাৱহাৰিত হোৱাৰ ফলত তাৰ বাবে সেয়া হাৰামত পৰিণত হৈ যায়। সকলো বস্তুৰেই উপযুক্ত ব্যাৱহাৰ কৰা ঠিক কিন্তু যদি প্ৰয়োজনতকৈ বেছি ব্যাৱহাৰত লোৱা হয় তেন্তে হালাল গৈ হাৰামত পৰিণত হয়। তেখেত (আঃ) য়ে কৈছে যিজনে প্ৰবৃত্তিৰ ইচ্ছা পুৰণাৰ্থে দিনে ৰাতি ব্যাস্ত থাকে তেওঁ ইবাদতৰ হক কেনেকৈ আদায় কৰিব। মোমিন সকলৰ বাবে বাঞ্চনীয় হ'ল যে সিহঁতে এটা অতি সাধাৰণ জীৱন যাপন কৰা কিন্তু আৰাম আৰু বিলাসী জীৱন যাপনে মোমিনী জীৱন দহভাগৰ এভাগও অৰ্জন কৰিব নোৱাৰে।

আল্লাহ তায়লা নমাজ আৰু ইবাদতৰ বিষয় সম্পৰ্কে বিভিন্ন ঠাইত বৰ্ণনা কৰিছে। ছুৰা নুৰত আল্লাহ তায়লা কৈছে;

رِجَالٌ لَّا تُلْهِيْهِمْ تِجَارَةٌ وَّلَا بَيْعٌ عَنْ ذِكْرِ اللّٰهِ وَاِقَامِ الصَّلٰوةِ وَاِيْتَآءِ الزَّكٰوةِ يَخَافُوْنَ يَوْمًا تَتَقَلَّبُ فِيْهِ الْقُلُوْبُ وَالْاَبْصَارُ

অৰ্থাৎঃ এনেকুৱা এটা ব্যক্তিত্ব আছিল যাৰ ব্যাৱসায় বাণিজ্য, বেচা কিনা আদি সকলো বোৰেই আল্লাহ তায়লাৰ নামৰ সৈতে সম্পাদিত হৈছিল। ইয়াৰ কোনোটোয়েই তেখেত নমাজ, জাকাত আদায় কৰাৰ পৰা বিৰত কৰিব নোৱাৰিছিল। তেখেতৰ হৃদয়ে কেৱল সেই দিনটোক ভয় কৰিছিল যি দিনটোত অন্তৰৰ অৱস্থা ভয়াতুৰ হৈ ওলট পালট হৈ যাব। এনেকুৱা মৰ্যদা আঁহজৰত (ছাঃ) ৰ ছাহাবা সকলে আটাইতকৈ বেছি লাভ কৰিব পাৰিছিল আৰু তেওঁলোকে আল্লাহ তায়লাৰ প্ৰেমাস্পদ হৈছিল। আঁহজৰত (ছাঃ) য়ে ছাহাবা সকলৰ বিষয়ে কৈছে যে; তেওঁলোক হ'ল তোমালোকৰ পথ প্ৰদৰ্শক, সিহঁতক অনুসৰণ কৰা। হজৰত মছিহ মাওউদ (আঃ) য়ে উক্ত আয়াতৰ ব্যখ্যা দিবলৈ গৈ কৈছে যে এক ব্যাক্তিৰ নাম আউলিয়া

সকলৰ জীৱন চৰিতৰ তালিকাত উল্লেখ আছে যে এজন মানুহে হাজাৰ-হাজাৰ টকাৰ আদান প্ৰদানত ব্যস্ত আছিল, এজন ওলি আল্লাহ তেওঁক দেখা পাই দৈৰ দৃষ্টি তাৰ ওপৰত নিক্ষেপ কৰে আৰু জানিব পাৰে যে তাৰ হৃদয় আদান প্ৰদানত ব্যস্ত থকা সত্বেও আল্লাহ তায়লাৰ প্ৰতি আলস্যতা নাই। এনেকুৱা ব্যাক্তি সকলৰ বিষয়ে আল্লাহ তায়লা কৈছে;

لَا تُلۡهِيۡهِمۡ تِجَارَةٌ وَّلَا بَيۡعٌ عَنۡ ذِكۡرِ اللّٰهِ কোনো ব্যাৱসায় বাণিজ্য, বেচা কিনায় তেখেতক অলস কৰিব নোৱাৰিছিল। এয়াই হ'ল সম্পূৰ্ণ মানৱ। যিজনে ব্যৱসায় বাণিজ্যত ব্যস্ত থাকিছে কিন্তু খোদা তায়লাক পাহৰি যোৱা নাই। তেখেত (আঃ) য়ে কৈছে যে; সেই গাধটো কিনো কামৰ, যি সময় মতে বোজা কঢ়িয়াই নিওঁতে বহি পৰে আৰু খালি পিঠিত খুউব দৌৰে।

সেইজন ভিক্ষাৰী যিজনে কামৰ ভয়ত ভিক্ষা খোজে সেয়া হ'ল তাৰ দুৰ্ববলতা। ইছলামত সন্ন্যাস ব্ৰত নাই। আমি কেতিয়াও নকও যে ল'ৰা, ছোৱালী, পত্নী এৰি দিয়া, ব্যাৱসায় বাণিজ্য এৰি দিয়া বৰং কোৱা হয় যে চাকৰিয়াল সকলে চাকৰিৰ দায়িত্ব পালন কৰক, ব্যাৱসায়ী সকলে সিহঁতৰ ব্যাৱসায় পৰিচালনা কৰক কিন্তু চৰ্ত হ'ল ইয়াৰ ওপৰত ধৰ্মক প্ৰধান্য দিয়ক।

নমাজক ৰক্ষনা বেক্ষন দিয়া সম্পৰ্কে আল্লাহ তায়লা কৈছে যে حٰفِظُوۡا عَلَى الصَّلَوٰتِ وَالصَّلٰوةِ الۡوُسۡطٰى ۚ وَقُوۡمُوۡا لِلّٰهِ قٰنِتِيۡنَ অৰ্থাৎঃ নিজৰ নমাজৰ হিফাযত কৰা,বিশেষকৈ বা জমাত নমাজ আৰু আল্লাহ তায়লাৰ আনুগত্যত থিয় হৈ যোৱা। উক্ত আয়াতত বিশেষকৈ সমাজৰ প্ৰতি মনযোগ আকৰ্ষণ কৰা হৈছে যাৰ ওচৰত যি কোনো নমাজ এটা বোজা স্বৰূপ। যদি ফজৰ ওয়াক্তৰ নমাজ পঢ়া টান লাগে তেন্তে তেনেধৰণৰ ব্যক্তিৰ বাবে নমাজ হ'ল মাজে সময়ে আদায় কৰা বা পঢ়া বস্তু। যদি ব্যাৱসায়ী সকলে জোহৰ ওয়াক্তৰ নমাজ পঢ়িবলৈ টান পায় তেন্তে এয়া সিহতৰ বাবে যেনিবা মাজে সময়ে কৰা কাম।

আকৌ আল্লাহ তায়লা কোৰ'আন কৰিমত নিজৰ শপত আৰু প্ৰতিশ্ৰুতি পালন কৰা সম্পৰ্কে আদেশ প্ৰদান কৰিছে তাত আল্লাহ তায়লাৰ সৈতে দিয়া প্ৰতিশ্ৰুতি আৰু বান্দাৰ সৈতে দিয়া প্ৰতিশ্ৰুতি দুয়ো বিধেই উল্লেখ আছে। যেনেকৈ আল্লাহ তায়লাৰ দ্বীন সম্পৰ্কে প্ৰতিশ্ৰুতি। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত গ্ৰহনৰ প্ৰতিশ্ৰুতি, ধৰ্মক পাৰ্থিবতাৰ ওপৰত দিয়া গুৰুত্বৰ প্ৰতিশ্ৰুতি ইছলামী শিক্ষা অনুসৰি চলাৰ প্ৰতিশ্ৰুতি আদি। এই সকলোবোৰ প্ৰতিশ্ৰুতিয়ে আল্লাহ তায়লাৰ হক আদায়ৰ প্ৰতি জুকিয়াই মনত পেলাই দিয়ে।

আল্লাহ তায়লা কৈছে যে;

وَاَوۡفُوۡا بِعَهۡدِ اللّٰهِ اِذَا عٰهَدْتُّمۡ وَلَا تَنۡقُضُوا الۡاَيۡمَانَ بَعۡدَ تَوۡكِيۡدِهَا وَقَدۡ جَعَلۡتُمُ اللّٰهَ عَلَيۡكُمۡ كَفِيۡلًا ؕ اِنَّ اللّٰهَ يَعۡلَمُ مَا تَفۡعَلُوۡنَ

অৰ্থাৎঃ আৰু তুমি আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি পালন কৰিব যেতিয়া তুমি প্ৰতিশ্ৰুতি বদ্ধ হ'বা, আৰু শপত ভঙ্গ নকৰিবা, যিহেতু তুমি আল্লাহ তায়লাক নিজৰ দায়িত্ব অৰ্পন কৰিছা, আল্লাহে নিশ্চয় জানে যিবোৰ তুমি কৰা। গতিকে এয়া স্পষ্ট নিৰ্দেশ যে তোমালোকৰ দুটা প্ৰতিশ্ৰুতি আছে তাৰে এটা হ'ল আল্লাহ তায়লাৰ সৈতে দিয়া প্ৰতিশ্ৰুতি যেনে ইছলামৰ শিক্ষা অনুসৰি চলা আৰু বয়াতৰ প্ৰতিশ্ৰুতি আদি। দ্বিতীয়তে হ'ল পৰস্পৰে সম্পাদিত কৰা চুক্তি বা প্ৰতিশ্ৰুতি পূৰ্ণ কৰা।

গতিকে এই বিষয়টো বুজাৰ প্ৰয়োজন আছে যে মোমিন সকলে নিজৰ চুক্তি, প্ৰতিশ্ৰুতি পালন কৰিব লাগিব। যদি আমি ইয়াৰ ওপৰত গুৰুত্ব দি আচল অৰ্থ বুজি লৈ পালন কৰো তেন্তে সকলো ধৰণৰ কাজিয়া বিবাদ প্ৰৱঞ্চনা, দোষাৰোপ আদিৰ পৰা সমাজখন পৰিস্কাৰ হ'ব। বৈবাহিক বিষয় আদিত যিবোৰ সমস্যা দেখা দিয়ে সেই বোৰৰ জন্ম নহয়। তেখেত (আঃ) য়ে কৈছে যে; মই আজি কালি দেখিবলৈ পাইছো যে আমাৰ মাজত পাৰ্থিব লোভ বাঢ়ি যোৱাৰ বাবে চুক্তি ভঙ্গ, প্ৰৱঞ্চনা, কথাৰ হেৰাফেৰি বিষয়টো বাঢ়ি গৈ আছে। ইয়াৰ পৰা কেৱল জমাতৰে বদনাম নহয় বৰং মাজে সময়ে মানুহৰ ঈমান নষ্ট হৈ যায়। যেতিয়া মানুহে প্ৰতিশ্ৰুতি ভঙ্গ কৰে নিশ্চয় মিছাৰ সহায় লয়। কিন্তু আল্লাহ তায়লা মিছাৰ সম্পৰ্কে কঠিন আদেশেৰে তাৰ পৰা বাচিবলৈ নিৰ্দেশ দিছে।

মনত ৰাখিবা যে নিশ্চয় মিছাৰ দৰে বেয়া বস্তু আৰু নাই। সাধাৰণতে পাৰ্থিব মোহত আৱদ্ধ সকলে কয় যে সঁচা কথা কলে মানুহ গ্ৰেপ্তাৰ হৈ যায়। কিন্তু মই কেনেকৈ এয়া বিশ্বাস কৰো ? মোৰ ওপৰত সাতোটা গোচৰ ৰুজু কৰা হৈছিল কিন্তু

খোদা তায়লাৰ কৃপাত কোনো গোচৰতেই মোৰ মিছাৰ আশ্ৰয় ল'ব লগা হোৱা নাই। এনেকি কোনো গোচৰতেই মই হাৰি যোৱা নাই। আল্লাহ্ তায়লা সত্যৰ সাৰথি। এইটো হ'ব পাৰেনে যে তেওঁ তাৰ পবিত্ৰ বান্দাক শাস্তি দিয়ে ? প্ৰকৃত কথা হ'ল সত্যৰ প্ৰকাশত যিয়ে শাস্থি পায় সেয়া দৰাচলতে সত্য কোৱাৰ বাবে নহয়। সেই শাস্তি তাৰ কোনোবা লুকাই থকা গোনাহৰ পৰিনামত পোৱা শাস্তি।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ্ তায়লা মুত্তাকী সকলৰ চিহ্ন এইবুলি কৈছে যে;

وَالْكٰظِمِيْنَ الْغَيْظَ وَالْعَافِيْنَ عَنِ النَّاسِ ط অৰ্থাৎঃ ক্ৰোধ দমন কৰা আৰু মানুহক ক্ষমা কৰি দিয়া। ক্ষমাৰ অৰ্থ হ'ল নিজৰ বিৰুদ্ধে হোৱা সকলো জুলুম অত্যাচাৰ পাহৰি পেলাই কাৰোবাক ক্ষমা কৰি দিয়া। গতিকে মুত্তাকী হ'ল সেইজন যিজনে কেৱল ক্ৰোধ দমন কৰাই নহয় বৰং ক্ষমা প্ৰদান কৰোঁতাও। অৰ্থাৎ জুলুমকাৰীৰ জুলুম অত্যাচাৰ পাহৰি তাক ক্ষমা কৰি দিয়া। হজৰত মছিহ্ মাওউদ (আঃ) য়ে কৈছে যে; বিবেক আৰু পৰামাগ্ৰহৰ বিৰুদ্ধে বিপদজ্জনক শত্ৰুতা নিহিত থাকে। যেতিয়া ক্ৰোধ আৰু আবেগ জন্ম লাভ কৰে তেতিয়া বিবেক প্ৰতিষ্ঠিত নাথাকে। কিন্তু যি জনে ধৈৰ্য্য ধাৰণ কৰি সহায় সহানুভুতিৰ আদৰ্শ প্ৰদৰ্শন কৰে তেওঁক এটা কিৰণ প্ৰদান কৰা হয় যিটোয়ে তাৰ বিবেক, চিন্তা ভাৱনাৰ শক্তিত এটা নতুন পোহৰ অনুভুত হয়। পিছত আলোকৰ পৰা আলোকৰ সৃষ্টি হ'বলৈ ধৰে। ক্ৰোধ, আবেগত মগজু অন্ধকাৰাছন্ন হয় আৰু এন্ধাৰৰ পৰা এন্ধাৰৰ সৃষ্টি হ'বলৈ ধৰে।

তেখেত (আঃ) য়ে কৈছে যে; ক্ৰোধ আৰু হিকমত দুয়ো একঠাইত জমা হ'ব নোৱাৰে। যি জনে ক্ৰোধৰ বশ হৈ পৰে তেওঁৰ বিবেক কম আৰু অলস হৈ পৰে। তেওঁক কোনো ক্ষেত্ৰতেই জয়লাভ আৰু সহায় কৰা নহয়। ক্ৰোধ হ'ল আধা পাগলামী, এয়া যেতিয়া জাঙুৰ খাই উঠে তেতিয়া এজন সম্পূৰ্ণ পাগলত পৰিণত হ'ব পাৰে। ক্ৰোধান্বিত লোকৰ পৰা বিবেকক উঠাই লোৱা হয়। যদি কোনোবাই বিৰুধীতা কৰে তেন্তে তাৰ লগতওঁ ক্ৰোধান্বিত হৈ কথা পাতিব নালাগে। হজৰত মছিহ্ মাওউদ (আঃ) য়ে কৈছে যে; মানুহ বেয়া আচৰণ আৰু ক্ৰোধৰ পৰা দুৰত থাকিব লাগে। বেয়া আচৰণৰ হাত সাৰিবলৈ আল্লাহ্ তায়লা কোৰ'আন কৰিমত আদেশ দিছে যে;

يٰۤاَيُّهَا الَّذِيْنَ اٰمَنُوا اجْتَنِبُوْا كَثِيْرًا مِّنَ الظَّنِّ ۫ اِنَّ بَعْضَ الظَّنِّ اِثْمٌ وَّلَا تَجَسَّسُوْا وَلَا يَغْتَبْ بَّعْضُكُمْ بَعْضًا ط
اَيُحِبُّ اَحَدُكُمْ اَنْ يَّاْكُلَ لَحْمَ اَخِيْهِ مَيْتًا فَكَرِهْتُمُوْهُ ط وَاتَّقُوا اللّٰهَ ط اِنَّ اللّٰهَ تَوَّابٌ رَّحِيْمٌ ﴿۱۳﴾

অৰ্থাৎঃ এই বিশ্বাসী লোক সকল ! বেয়া আচৰণ পৰিসাৰ কৰা নিশ্চয় কিছুমান ধ্যান ধাৰণা গোনাহৰ কাৰণ। কাৰো (দোষ) অনুসন্ধান নকৰিবা, তোমালোকৰ মাজৰ কাৰো বদনাম নৰচিবা। তোমালোকৰ মাজত কোনোবা জনে নিজৰ মৃত ভায়েকৰ মঙহ খোৱা পছন্দ কৰিব নে ? গতিকে তুমি সেয়া ঘৃণা কৰা আৰু আল্লাহ্ তায়লাৰ তাকওয়া অৰ্জন কৰা। নিশ্চয় আল্লাহ্ তায়লা তওবা গ্ৰহন কৰোঁতা আৰু বাৰে-বাৰে কৃপা কৰোঁতা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; উক্ত আয়াতত প্ৰথমে যিটো বস্তুৰ পৰা আঁতৰত থাকিবলৈ নিৰ্দেশ দিছে সেয়া হ'ল কুধাৰণা। হজৰত মছিহ্ মাওউদ (আঃ) য়ে কৈছে যে; কুধাৰণা এনেকুৱা এটা বেমাৰ যিটোয়ে মানুহক অন্ধ বনাই ধংসৰ কঢ়াল গ্ৰাসত নিপতিত কৰে। আকৌ কৈছে ভালকৈ মনত ৰাখিবা সকলো ধৰণৰ পঙ্কিলতা কুধাৰণাৰ পৰাহে জন্মে। সেই বাবে আল্লাহ্ তায়লা ইয়াৰ হাত সাৰিবলৈ আদেশ দিছে। যদি কাৰোবাৰ ওপৰত কোনোধৰণৰ কুধাৰণাৰ জন্ম হয় তেন্তে লগে-লগে ইস্তেগফাৰ কৰিবা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; দ্বিতীয় বিষয় হ'ল যাৰ পৰা আল্লাহ্ তায়লা আমালোকক বাধা প্ৰদান কৰিছে সেয়া হ'ল (দোষ) অনুসন্ধান কৰা। বিচাৰি-বিচাৰি কোনোবাজনৰ গোপন দোষ বাহিৰ কৰি চৰ্চা কৰা। কোনোবাই কথা এটা প্ৰকাশ কৰিব নিবিচাৰিলে সেয়া জানিবলৈ চেষ্টা কৰা, এইবোৰ হ'ল ভুল কথা, ইয়াৰ পৰা বেয়াই জন্ম লাভ কৰে। উক্ত আয়াতত তৃতীয় নিৰ্দেশ হ'ল দুৰ্নাম নৰচিবা। বদনাম (গিবত) কৰা এনেকুৱা বস্তু যেনিবা কোনোবাই নিজৰ মৃত

ভায়েকৰ মঙহ বক্ষন কৰিছে। তালৈ তোমালোকে কঠিন ঘৃণা কৰিবা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে আমি যিহেতু ৰমজান মাহত আল্লাহ্ তায়লাৰ তাকওয়া অৰ্জন কৰিব বিচাৰো আৰু তাৰ নৈকট্য বিচাৰো আৰু আমাৰ দোৱা গৃহীত হোৱা দেখিবলৈ বিচাৰো সেয়ে আমি সকলো ধৰণৰ বেয়াৰ পৰা ৰক্ষা পৰিবলৈ আৰু আল্লাহৰ প্ৰত্যেক নিৰ্দেশৰ ওপৰত আমল কৰিবলৈ চেষ্টা কৰিব লাগিব। আল্লাহ্ তায়লা আমালোকক এই বোৰ কৰিবলৈ তৌফিক দান কৰক যাতে আমি তাৰ সকলো নিৰ্দেশৰ ওপৰত আমল কৰি তাৰ সান্নিধ্য লভিব পাৰো আৰু ৰমজানৰ পিছতো যেন এই নেকি আমাৰ মাজত প্ৰতিষ্ঠিত থাকে।

খোতবা জু'মাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে মকৰৰম চৌধুৰী খালিক আহমদ চাহাব ইবনে চৌধুৰী বশিৰ আহমদ চাহাব হালকা গুলজাৰ হিজৰি, জিলা কৰাচি ৪৯ বছৰ বয়সত আহমদীয়ত বিৰুধী সকলে ২০ জুন ২০১৬ চনত ৰাতি ৯½ বজাত ঘৰত সোমাই গুলীয়াই শ্বহীদ কৰি দিয়ে। ইন্না লিল্লাহে ওয়া ইন্না ইলায়হে ৰাজিউন। এখেতৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। লগতে তেখেতৰ পৱিত্ৰ জীৱন চৰিত সম্পৰ্কে বৰ্ণনা কৰি তাৰ মৰ্যদা উন্নীত কৰাৰ বাবে দোৱা কৰে। (আমিন)

......☆......☆......☆......☆......

**Assamese Khulasa Khutba Jumma Huzoor Anwar 24th June 2016**

**BOOK POST (PRINTED MATTER)**

**To**

____________________

____________________

____________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**